enajori.com
...exploring assam

E-LIBRARY



# LAKSHMINATH BEZBAROA

# JUNUKA

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor

Source : Personal Library, Santanu Kaushik Baruah, Guwahati

## ৰাজহাঁহ আৰু কাউৰী

বাটৰুৱা এটা এদিন বাটে বাটে গৈ ।
জিৰাইছিল গছৰ তলত ধনু-কাঁড় থৈ ।।
ভাগৰ লাগি বাটৰুৱাৰ টোপনি আহিল ।
তিনিপৰীয়া ৰ'দ আহি মুখত পৰিল ।।
গছৰ ওপৰত আছিল তাতে ৰাজহাঁহ এটি ।
ৰ'দ নপৰা কৰি তাৰ পাখিৰে ধৰিলে ছাতি ।।
ছাঁ পাই মুখ মেলি নাক ঘোৰ্ঘোৰাই ।
মহাসুখে শুলে সেই বাটৰুৱা ভাই ।।
আছিল সেই হাঁহৰ লগত কাউৰী দুষ্ট বৰ ।
মেলা মুখত ভৰ্চিছ দি উৰি মাৰিলে লৰ ।।
টোপনি ভাগি বাটৰুৱাই ওপৰলৈ চাই ।
দেখা পালে ৰাজহাঁহ আৰু কোনো নাই ।।
তাৰে এই কাম ভাবি লই কাঁড়-পাত ।
ধনুত লগাই মাৰি হাঁহ কৰিলে নিপাত ।।

"দুৰ্জ্জনেৰে সৈতে তুমি নকৰিবা স্থিতি ;
কাউৰীৰ সৈতে থাকি হাঁহৰ চোৱা কেনে গতি ।।"

## টোকোৰা আৰু চিতল

সত্য কালৰ কথা । সেই কালত উৰণ আৰু বুৰণ এই দুইবিধ জন্তুৱে বাহ সাজি থাকিব নেজানিছিল । সেইবাবে সিহঁতৰ বৰ দুৰ্গতি দেখি সিহঁতৰ ভিতৰৰ বুঢ়া-মেঠাবিলাকে কি কৰা উচিত, এই কথা আলচ কৰিবলৈ এদিন মেল পাতিলে । মেলত স্থিৰ হল যে সিহঁতৰ ভিতৰৰ পৰা দুজনক বিধতাৰ ওচৰলৈ পঠিয়াই দিয়া হওক । বিধতাক সিহঁতে শোধকগৈ কেনেকৈ সিহঁতৰ ভাই-বন্ধু-গিয়াতিবোৰে বাহ সাজি থাকিব । চৰাইবোৰে টোকোৰাক আৰু মাছবোৰে চিতলক বিধতাৰ ওচৰলৈ পঠিয়াই দিলে । সিহঁতে বাটকুৰি বাই গৈ গৈ বিধতাৰ ওচৰ পালত বিধতাই সিহঁত কিয় আহিছে, কি লাগে বুলি সুধিলে । দুয়ো আঁঠু লৈ বিধতাক নিজৰ নিজৰ দুখ-দুৰ্গতিৰ কথা ভাঙি-পাতি ক'লত মাছ আৰু

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor

চৰাইবোৰে কেনেকৈ বাহ সাজি নিৰাপদে থাকিব লাগে সেই বুধি বিধতাই চিতল আৰু টোকোৰাক শিকাই দিলে।

ইয়াৰ পিছত দুয়ো বিধতাৰ ওচৰত মেলানি মাগি ঘৰমুৱা হৈ খোজ ললে। বাটত টোকোৰাই চিতলক ক'লে, "চিতল ককাই, মোৰ মনত কথা এটা খেলাইছে, জানো, তুমি কি বোলা ?" চিতলে উত্তৰ দিলে, "মোৰো মনত তেনেকুৱা কিবা এটা কথা খেলাইছে। আগেয়ে তোমাৰটো শুনি লওঁ, তাৰ পিছত মোৰটোও তোমাক কম।" টোকোৰাই ক'লে, "ককাই। আমি ইমান দুখে-ভাগৰে বিধতাৰ ওচৰলৈ আহি বাহ সজা শিকি লৈছোঁ। আমিনো আনক আমাৰ বুধিটো শিকাওঁ কেলেই ? কোননো আমাৰ বুকুৰ বান্ধ, কোননো আমাৰ আইৰ ফালৰ কুটুম যে তাক আমাৰ দুখৰ আৰ্জ্জনফেৰা দিম ? ছল পালেই সেই মুখত পোক-লগা হতছিবি হোৰা কাউৰীয়ে মোক খেদাত তৎ এৰুৱায়। মই বোলো বুধিটো কাকো নিশিকাওঁহঁক। তুমি কি বোলা ?" এই কথা শুনি চিতলে জপিয়াই উঠি ক'লে, "ঠিক কৈছা টোকোৰা ভাই! ঠিক কৈছা! মইও তোমাক তাকেহে কম বুলি ভাবি আহিছিলোঁ। তুমিও কাকো নিশিকাবা আৰু ময়ো কাকো নিশি-কাওঁ। আমি সিহঁতক কম, বিধতাক আমি পোনতে লগকে ধৰিব নোৱাৰিলোঁ। খাপ্ লৈ লৈ, খাপ্ লৈ লৈ অনেক দিনৰ মূৰত অনেক পুৰুষাৰ্থ কৰি যিওবা এবাৰ তেওঁক লগ ধৰি আমাৰ দুখৰ কথা ক'লত বিধতাই আমাক ডবিয়াই হুঁকিয়াই খেদি দিলে।"

এইদৰে দুয়ো বুধি পাতি আহি ঘৰ ওলালত চৰাইবোৰে টোকোৰাক আৰু মাছবোৰে চিতলক "কি গুণ, কি বেৰস্থা শিকিলি, কি বুজিলি" বুলি সুধিলত দুয়ো মিছাকৈ চকুৰপানী টুকি ক'লে, "ককাইহঁত। আমাৰ দুখৰ কথা আৰু কি কম ? কোনে পতিয়াব ? যাকে কম সেয়ে লথিয়াব। প্ৰথমতে গৈতো বিধতাৰ ওচৰকে চাপিব নোৱা-

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor

ৰিলোঁ। বিধতাৰ ঘৰৰ দুৱাৰমুখ পালতে দুৱৰীয়ে গতাৰ তাপত মূৰ ছিঙিবলগীয়া কৰিলে। তাৰ পিছত তিনদিন ওচৰতে লেকাত লাগি শুকাই-উবাই খাপ দি পৰি আছিলোঁ। তিনিদিনৰ মূৰত এবাৰ বিধতাক বাহিৰলৈ ওলাই অহা দেখি উঠি গৈ কান্দি-কাটি ভৰিত দীঘল দি পৰি আমাৰ দুখৰ কথা ক'লত, তেখেতে আমাৰ দুখ পতিয়াওক ছাৰি ডবিয়াই ছুঁকিয়াই আমাক খেদিহে দিলে।"

টোকোৰা আৰু চিতলৰ এই কথা শুনি ৰাইজে দুখ বেজাৰ কৰি থাকিল। কিন্তু লাহে লাহে দেখা গ'ল, টোকোৰাই কাকিনি তামোলৰ আগত আৰু চিতলে বৰ ডুবিৰ অগাধ দ পানীত সুন্দৰকৈ বাহ সাজি কণী পাৰি সপৰিয়ালে মহাসুখেৰে আছে। এই কথা দেখি মাছ আৰু চৰাইবোৰে বুজিব পাৰিলে যে চিতল আৰু টোকোৰাই বিশ্বাসঘাতকতা কৰিলে। সিহঁতৰ বৰ খং উঠিল। চৰাইবোৰে টোকোৰাৰ চুলিকোছাত ধৰি তাক চোঁচোৰাই আনি গতিয়াই-ভুকুৱাই বেজান কৰি ক'লে যে, "তোক আমি একেবাৰেই বধ নকৰোঁ, কিন্তু বিশ্বাসঘাতক আৰু মিতিৰ দ্ৰোহীয়াক উপযুক্ত শাস্তি নিদি নেৰোঁ। সেইদেখি আমি এটায়ে তোৰ মুখত একোটাকৈ লাথি মাৰি যাম।" এই বুলি যত চৰাই আছিল এটাই-বোৰে গাইপতি টোকোৰাৰ মূৰত এটা-এটাকৈ লাথি মাৰি গ'ল। লাথিৰ কোবত টোকোৰাৰ মূৰৰ চুলি সৰি মূৰ টকলা হ'ল। সেইদেখি তেতিয়াৰে পৰা টোকোৰাৰ মূৰত চুলি নাই।

মাছবোৰেও চিতলক সেইদৰে কৈ তেনেকুৱা শাস্তি দিলে। সেইদেখি এটাইবোৰ মাছৰ লাথি খোৱা বাবে চিলতৰ মূৰটো সৰু আৰু চেপেটা হ'ল আৰু গাটোও চেপেটা পৰিল।

## বুঢ়া আৰু শিয়াল

সত্য কালত আছিল বুঢ়া খেতিয়ক এটা।
শিয়াল এটাই দেখিলে তাক কচুগুটি পোতা॥
ওচৰচাপি সুধিলে শিয়ালে—"ককা! কি কৰিছা?"
"কচু ৰুইছোঁ, নাতি!" বুঢ়াই কলে, "এই ৰইছা।"
"নাই জনা ৰুব তুমি কচুগুটি ককা!
প্ৰথমতে কচুবোৰ সিজাই লোৱা এক॥
গাত খানি, খেৰ পাৰি কচু দিয়া তাত।
একোডোখৰ চকুৱাৰে ঢাকা সেই গাঁত॥
তাৰ ওপৰত মাটি দি কচু থোৱা ৰুই।
ৰাতিটোতে ডাঙৰ হব, ঠিক ক'লো মই॥"

শিয়ালৰ বুদ্ধি শুনি বুঢ়াই কচু ৰুই।
মহাসুখে পাটীত পৰি থাকিল শুই ॥
বাহ শিয়ালে কোঢ়াল কৰি দুপৰ ৰাতি।
ৰংমনে কচু খালে খান্দি খান্দি মাটি ॥
পুৱাই বুঢ়াই কচুবাৰীত কচু চাবলৈ গৈ।
দেখে কচু নাই; আছে গাঁত উদং হই ॥
তেতিয়া বুজিলে বুঢ়াই শিয়ালৰ ফাঁকি।
নিজৰ মনত ধিক্কাৰ দি লাজ লুকালে ৰাখি ॥

"দুৰ্জ্জনৰ বুদ্ধি যি নিবিচাৰি লয়।
কচু ৰোৱা বুঢ়াৰ দৰে তাৰ গতি হয় ॥"

## তেলীয়াসাৰেং আৰু কেচু

টোকোৰাই বিশ্বাসঘাতকতা কৰাৰ পিছত চৰাইবিলাকে দেখিলে যে সিহঁতক এজন ৰজা লগা হ'ল, নহলে আৰু নচলে। ইমানবিলাক চৰাইৰ ভিতৰত যেতিয়াই যাৰে যিহকে মন যায় সি তাকে কৰে, কাৰো হাকবচন কোনেও নুশুনে, কোনেও নেমানে। চুৰি-ডকাইতি, মিছা-কোৱা আদি অধৰমৰ কাম সিহঁতৰ ভিতৰত ইমান বাঢ়ি আহিবলৈ ধৰিলে আৰু সকলো ইমান উদণ্ড হৈ উঠিল যে ৰজাৰ শাসন লগা হ'ল। সেইদেখি সিহঁতক ধৰমমতে শাসন-পালন কৰিবলৈ সিহঁতে সিহঁতৰ ভিতৰতে এজনক ৰজা পাতিবলৈ থিৰ কৰি সকলোকে জাননী দিলে। ৰজাৰ লক্ষণ গাত থকা তেলীয়াসাৰেঙকে ৰজা পাতিবলৈ মন কৰি, ভাল দিন-বাৰ চাই শুভ ক্ষণত ৰাজপাটত বহুৱাবলৈ থিৰ কৰিলে। এই বাতৰি লৈ গৈ তেলীয়াসাৰেঙক দি আহিবলৈ কাউৰীৰ গাত বাব পৰিল। কাউৰীয়ে তেলীয়াসাৰেঙৰ ওচৰ পাই ওলগ লৈ ক'লে, "আপোনাৰ ওচৰলৈ ৰাইজে মোক পঠিয়াই দিছে।" তেলীয়াসাৰেঙে ঘৈণীয়েকক মাত দিলে, "শুনিছানে, হয়! শুনিছ, কলৈ গলি, ওলাই আহচোন, আলহীক বহিবলৈ চৰা এখনকে পেলাই দেহি। তামোলৰ টাটোও লৈ আহিবি।" গিৰিয়েকে মতা শুনি তেলীয়া-সাৰেঙণীয়ে লচ্‌পচ্‌কৈ আনি তামোলৰ বঁটাটো মাটিত থৈ, বাৰত আঁৰি থোৱা মেৰচৰা এখনি পাৰি দিলত কাউৰী তাতে বহিল। কাউৰীয়েনো ৰাইজৰ পৰা কি আজ্ঞা আনিছে, এই কথা তেলীয়াসাৰেঙে কাউৰীক সোধাত কাউৰীয়ে পোনতে আষাৰচেৰেক 'কা'-'কা' কৰি ডিঙিটো খৰিকাই লৈ মাত লগালে, "ৰাইজ বুলিলে ৰজা; ৰাইজৰ হুকুমত পিথপি ফাট মেলে। এতেকে 'কা'-'কা'-'কা'; ৰাইজৰ হুকুম শিৰত লৈ মই আহিছোঁ। বৰ ভাল বতৰা, 'কা'-'কা'-'কা'—কিবা বোলে নে—খবৰ। ৰাইজে আপোনাক সকলো চৰাইৰ ওপৰত ৰজা পাতিবলৈ

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor

মনোগত কৰি মোক পঠিয়াই দিলে। বগলী বাপুৱে পুথি-পাঁজি চাই কৈছে, কাইলৈ হেনো দিনটো ভাল আৰু পুৱা ঠিক ডেৰপৰ বেলি যোৱাত আপুনি ৰজাৰ খাটোলাত উঠিব লাগে। সেই সময়তে হেনো শুভ লগ্ন বহিছে। এতেকে আপুনি আজিৰে পৰা সাজু হব লাগে।" তেলীয়াসাৰেঙে এই বাতৰি শুনি তাৰ হাতত কোনোবাই সোণৰ সোলেং এটা তুলি দিয়া যেন পালে। তাৰ আৰু যৈণীয়েকৰ আনন্দৰ সীমা নোহোৱা হ'ল। আৰু আনন্দৰ লগে লগে তেলীয়াসাৰেঙে ভাবিলে যে এতিয়া ৰজাৰ যোগ্য ভাৱ-গতিৰে তাৰ চলা উচিত। ইয়াকে ভাবি সি উত্তৰ দিলে, "বঢ়িয়া কথা, ৰাইজৰ হুকুমত নমৰিলেও চকু মুদিব লাগে বুলি কয়। ৰাইজে যেতিয়া হুকুম দিছে মই হম ৰজা।" গহীন ভাৱে কথাকেইষাৰ কৈ তেলীয়াসাৰেঙে মৌন হৈ ব'লত কাউৰীয়ে মাত লগালে, "আৰু এটা কথা আছে। বগলী পণ্ডিতদেৱে ব্যৱস্থা দিছে যে আপুনি ৰজাৰ খাটোলাত উঠাৰ আগেয়ে বিধিমতে গা ধুই শুধ হৈ লব লাগিব। সেইদেখি এজকা তেল ওচৰতে জুইত উতলাই ৰখা হব আৰু আপুনি সেই তেলতে প্ৰথমতে জোবোৰা এটা মাৰিহে খাটোলাত উঠিব পাৰিব।" কথাষাৰ শুনি তেলীয়াসাৰেঙে ভাবিলে—"কি সৰ্ব্বনাশ! তপত তেলত জোবোৰা মাৰিবলৈ গলে যে গাৰ ছাল যাব!" গিৰিয়েকে অলপ ভাবি থকা দেখি যৈণীয়েকে ক'লে, "আপুনি একো চিন্তা নকৰিব। মই আপোনাৰ গাত ভালকৈ মাহ-হালধি ঘঁহি দিম। তপত তেল আপোনাৰ গাত পিছলি যাব, নালাগেই।"

ইয়াৰ পিছত কাউৰী গুচি আহিল। তেতিয়াৰে পৰা তেলীয়াসাৰেঙে ৰজা হলোঁৱেই বুলি ভাবি কথা-বতৰা, উঠা-বহা, ফুৰা-চকা আদি কামবোৰ গধুৰকৈ কৰিবলৈ ধৰিলে। পিছ দিনা পুৱাই সি হাত-মুখ ধুই নাপিত মতাই আনি ডাঢ়ি-মূৰ খুৰুৱাবলৈ বহিল। ৰজাৰ গঢ়েৰে গধুৰকৈ লাহে-ধীৰে তেলীয়াসাৰেঙে ডাঢ়ি-মূৰ খুৰুৱাই থাকোঁতেই সিফালে ডেৰপৰ হৈ শুভ লগ্ন উকলি যাবলগীয়া হলগৈ। ম'ৰা, শগুণ, চিলনী, কাউৰী, বগলী, হাঁহ, মইনা, শালিকা, ভাটৌ আদি চৰাইবোৰে বাট চাই আছে, তেলীয়াসাৰেং আহিব, আহি সি তপত তেলত জোবোৰা মাৰিব; মাৰি ৰজাৰ খাটোলাত উঠিব আৰু সিহঁতে তাক ৰজা বুলি আঠু লৈ সেৱা কৰিব। কিন্তু ইফালে তেলীয়াসাৰেঙৰ তেতিয়াও ডাঢ়ি-মূৰ খুৰোৱা শেষেই নহ'ল। যোৱা-যোৰে চৰাই তেলীয়াসাৰেঙক মাতিবলৈ আহিছে, সিফালে লগ্ন উকলি যায়; তথাপি তাৰ গায়েই নলৰে। শেহত চৰাইবোৰ নিৰুপায় হৈ মূৰে-কপালে হাত দি বহি আছে।

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor

এনেতে সমজ্যাৰ মাজৰ পৰা ফেচুৱে একে দোপেই উঠি হাত-যোৰকৈ ৰাইজক ক'লে, "ৰাইজসকল! তেলীয়াসাৰেং নাহিল নাই। ময়েই ৰজা হম।" এই বুলি সি ৰাইজৰ অনুমতিলৈ বাট নাচাই দলিটো যোৰাদি গৈ তপত তেল জকাত জোবোৰা মাৰি থিতাতে খাটোলাত উঠিলগৈ।

সকলো সভাসদে কামটো কি হ'ল, প্ৰথমতে ভালকৈ তৰ্কিবই নোৱাৰিলে। ক্ষন্তেকৰ পিছতে তেওঁলোকে ফেচুৰ পৰম বিক্ৰম আৰু সাহ দেখি হৈ ধ্বনি দি তাক শলাগিবলৈ ধৰিলে, আৰু নিজৰ ৰজা বুলি সকলোৱে ফেচুৰ আগত আঁঠু ললে। তেলীয়া-সাৰেং ডাড়ি-মূৰ খুৰোৱা ঠাইতে থাকিল। ইয়াৰ আগেয়ে হেনো ফেচুৰ বৰণ বগা আছিল। কিন্তু সেই তপত তেলত জোবোৰা মাৰিবৰ দিনৰে পৰা তাৰ বৰণ ক'লা হ'ল বুলি বুঢ়ালোকে কয়।

"শুভ কাৰ্য্য শীঘ্ৰ কৰি কৰিবা সোণাই।
বিলম্বত কাৰ্য্য নাশ জানিবা সদায়॥"

## গঙাটোপ

(১)

মাছবোৰে বৰবিলৰ বৰডুবিত বহি।
শত্ৰুনাশ, আপোন-ৰক্ষাৰ মেল পাতিলেহি॥
ৰৌ আহিল, বৰলি আহিল, সেন্দুৰীয়া পুঠি।
গল মেলি ববগলা, মিছা মুঠি মুঠি॥
টপা মূৰা পকা-গৰৈ সভাপতি হ'ল।
তৰ্-বৰ্ চেঙেলিলৈ পাচনিৰ বাব ৰ'ল॥
সভাপতিৰ আজ্ঞা পাই গঙাটোপ মণি।
কি মনেৰে পতা হৈছে বুজালে মেলখনি॥
"চাৰিউ পিনে শত্ৰু আমাৰ বাঢ়িল বিস্তৰ।
সকলোতকৈ মানুহবোৰ জানা শত্ৰু বৰ॥
কত বুদ্ধি কৰি আমাক বধিব লাগিছে।
মানুহ যদি মাৰিব পাৰোঁ মনৰ শাল গুচে॥
দুখৰ কথা গেদ্‌গেদী এই সভাত নাই।
তেনে বুধি তেওঁৰ পৰাহে ওলায়॥"

(২)

'গেদ্‌গেদীক মাত' 'গেদ্‌গেদীক মাত' উঠিল মেলত বোল।
মাতিবলৈ গৰৈচিবিকাক পঠিয়াই দিয়া গ'ল॥
গৰৈ-লৰাই মাত দিলে ঘৰৰ কাষ পাই।
গেদ্‌গেদী সবাহলৈ যায় নে নেযায়?
শুনি টিক্‌চি-খিক্‌চি উঠি গেদ্‌গেদী মাহী।
'নেযাওঁ, গুচি যা' বুলি লগালে ভেকাহি॥

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor

গৰৈ-চিৰিকা গুচি আহিল অপমান পাই ।
আহি জান দিলে,—'নাহে গেদ্‌গেদী বাই ॥
শুনি মেলৰ বৰ ৰৰমূৰীয়া গৰৈ ডাঙৰীয়া ।
পাচনিক ক'লে, "গঙাটোপক পাচি দিয়া ॥"
গঙাটোপ আহি অতি সুৰীয়া মাতেৰে ।
মাত দিলে মাহীয়েকক নতুন ঠেগেৰে ॥
"কাঞ্চনমতী আই মোৰ ! কাঞ্চনমতী আই !
বাইজৰ সবাহলৈ যায় কি নেযায় ?"
শুনি বৰ বং পাই গেদ্‌গেদী মাহী ।
উত্তৰ দিলে গঙাটোপক মিঠা মাৰি হাঁহি ॥
"ভাল-মানুহে জানে ভাল লোকৰ মোল ।'
সোণাই মোৰ গঙাধৰ বোপা নে হে কোন ?
যাম নিশ্চয় সবাহলৈ এতিয়াই মই ।
ফোঁট, বেঘা লওঁতে মাথোন যিকণ বেলি হয় ॥"

(৩)

গেদ্‌গেদীৰ শলাগ শুনি গঙাধৰ বোপা ।
গপত ওফন্দি পৰি হ'ল ডাঙৰ সোপা ॥
ভাবি ভাবি ফুলি ফুলি যাওঁতে উভতি ।
সভাৰ কায পাই মৰিল ধুম্ কৰে ফুটি ॥
শব্দ্ শুনি সমজুৱাই ভয় খাই বৰ ।
সভা ভাঙি দিহাদিহি পলাল মাৰি লৰ ॥

"মিছা প্ৰশংসাত ফুলে যি মূৰ্খগতি ।
সি পায় ঠিক জানা গঙাটোপৰ গতি ॥"

## বৰাগী মেকুৰী

এটা বোন্দামেকুৰী লাহে-লাহে আৰু এন্দুৰ, চৰাই আদি ধৰিব নোৱাৰা হলত খোৱাৰ দুখত পৰিল । এদিন সি মনে-মনে এটা বুধি সাজি, এঘৰৰ চোতালত পৰি থকা ধানখেৰৰ পকোৰা বিৰিয়া এটা দেখি তাকে তাৰ ডিঙিত সুমাই লৈ হাবিলৈ গ'ল । এটা চুতীয়াশালিকাই তাক তেনেকৈ যোৱা দেখি সুধিলে—"ককাই ! সেইডাল তোমাৰ ডিঙিত কি ?" মেকুৰীটোৱে গহীনকৈ উত্তৰ দিলে, "ভাইটি ! এইডাল তুলসীৰ মলা । মোৰ গুৰুৱে মোক পিন্ধিবলৈ দিছে । মই গুৰুৰ ওচৰত মন্ত্ৰ লৈ বৈষ্ণৱ হৈছোঁ । এতিয়া ধৰ্ম্ম-কৰ্ম্মত মোৰ মতি হৈছে, পৰকালৰ চিন্তাৰ বাহিৰে মোৰ মনত আৰু একো একো চিন্তা নাই । সেইদেখি বৃন্দাবনলৈ যাওঁ বুলি ওলাই আহিছোঁ । বাকী কেইটা দিন কৃষ্ণক চিন্তি বৃন্দাবনতে কটাওঁ বুলি থিৰ কৰিছোঁ । হৰি ভগৱন্ত বস্তৱে মনৰ কামনা সিদ্ধি কৰিলেই হয় ।" শালিকা-

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor

টোৰো বয়স হৈছিল, সেইদেখি মেকুৰী বৰাগীৰ কথাই তাৰো মনত বৰাগীৰ ভাৱ ওপজালে। শালিকাই মাত লগালে, "সঁচা কৈছা ককাই। মইও বুঢ়া হৈ আহিছোঁ। বিষয়ৰ সুখ আৰু ভাল নালাগে। মইও বৰাগী হৈ তোমাৰ লগতে বৃন্দাবনলৈ যাওঁ বুলি ভাবিছোঁ। সাধুৰ সঙ্গ লাগে বুলিলেই সতকাই পোৱা নাযায়। মোৰ মহাভাগ্য যে তোমাক পাইছোঁ।" মেকুৰীয়ে উত্তৰ দিলে, "সজ, সজ, মইও তোমাৰ নিচিনা সাধুলোককহে বিচাৰিছিলোঁ। আহাঁ, একে লগেই যাওঁহঁক।" এই বুলি শালিকাক লগত লৈ মেকুৰী গৈ আছে। এনেতে বাটতে এটা ফেঁচুৰে সৈতে তাৰ দেখা হ'ল। ফেঁচুৱে তাক সুধিলে, "মেকুৰী ককাই! আজিনো এইটো কি ভেশ? একেবাৰেই দেখোন উদাসীন ভকতটি হৈ আলধৰা এটি পাচত লৈ আৰু লাখুটি এডাল হাতত লৈ গুজ্‌গুজ্ কৰে হৰিনাম গাই যাব লাগিছা?"

ফেঁচুৰ কথা শুনি মেকুৰীয়ে থমকি ৰৈ লাখুটিত ভিৰ দি ক'লে—"বান্ধৱ কৃষ্ণ! আতৈয়ে যি সুধিছে সজ কথা। আতৈ! মই বৃন্দাবনলৈ যাওঁ বুলি আহিছোঁ। বুঢ়া হলোঁ, এতিয়াও ধৰম-কৰম নকৰিলে পৰকাললৈ কি লৈ যাম? সেইদেখি আতৈ ভগৱন্তৰ নামগুণ গাই বৃন্দাবনতে থাকি শেষ কালডোখৰ নিয়াওঁ বুলিছোঁ।"

মেকুৰীৰ কথা শুনি ফেঁচুৱেও অলপ পৰ ভাবি কলে, "আতৈ! তোমোৰাই সজ কাম কৰিছে। আজি কিছুমান দিনৰ পৰা মোৰও কিবা বিষয়ত বিৰকতি জনমি আহিছে; মইও তোমোৰাৰ লগতে বৃন্দাবনলৈকে যাওঁ। বয়স হৈ আহিছে। ডেকা কালৰ তেজ আৰুতো মোৰ গাত নাই।" এই বুলি ফেঁচুৱো মেকুৰীৰ লগতে বৃন্দাবনলৈ যাবলৈ ওলাল।

সিহঁত তিনিও গৈ আছে। এনেতে বাটতে এটা শিলকপৌৰে সৈতে তিনিওৰো দেখা হল। শিলকপৌৱেও মেকুৰীৰ মুখৰ পৰা সকলো কথা শুনি সিহঁতৰ লগতে বৰাগী হৈ বৃন্দাবনলৈ যাবলৈ ওলাল।

এইদৰে সিহঁত গৈ থাকোঁতে গধূলি হলত—সিহঁতে ৰাতিটো কটাবলৈ এজোপা গছৰ ধোন্দ এটাত সোমাই থাকিল। মেকুৰীয়ে ধোন্দটোৰ মুখৰ ফালে শুই থাকিবলৈ লৈ সিহঁতক কলে, "আতৈসকল! মই দুৱাৰমুখতে তোমোৰা সৱক ৰখি পৰি থাকোঁ। তোমোৰাসৱে দুখে ভাগৰে আহিছে, ভিতৰত শয়ন কৰক।"

ৰাতি তিনি পৰমান হলত মেকুৰীয়ে উঠি চুতীয়াশালিকাক মাত লগালে,—"শালিকাৰাম আতৈ!

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor

তোমোৰাৰ নিদ্ৰা ভাগিছে নে ? ভাগিছে যদি এই ফালে মোৰ ওচৰ চাপি আহাচোন, । আমি অলপ কৃষ্ণ-কথাৰ আলাপ কৰোহঁক ।" শালিকা উঠি মেকুৰীৰ ওচৰলৈ আহিলত মেকুৰীয়ে কলে, "আতৈ ! মোৰ প্ৰভু কৃষ্ণদেৱক বকাসুৰে কেনেকৈ গিলিছিল আপুনি জানে নে ?" শালিকাই কলে, "নাজানো ।" "নাজানে যদি আহক মই সেই লীলা কৰি দেখুৱাওঁ ।" এই বুলি সি শালিকাক খাই পেলালে। ফেঁচু আৰু কপৌৰ এনেতে টোপনি ভাগিল। সিহঁতে দেখিলে—সৰ্ব্বনাশ ! সিহঁত দুৰ্জ্জন মেকুৰীৰ ফাঁকিত পৰিল। ভয়ত দুয়ো থক্-থক্ কৰে কঁপিবলৈ ধৰিলে। এনেতে মেকুৰীয়ে শিলকপৌক মাতিলে, "আতৈ ! মোৰ কৃষ্ণদেৱে অঘাসুৰৰ লীলা কেনেকৈ কৰিছিল সেই কথা তোমোৰাক দেখুৱাওঁ। মোৰ ওচৰ চাপি আহক ।" এই বুলি টানি আনিলত দুইৰো জোটাপুটি লাগিল। এই সুৰুঙাতে ফেঁচু ধোন্দৰ পৰা ওলাই ভুৰুং কৰে উৰি গল। কিন্তু শিলকপৌৰ মূৰটো একে কামোৰেই মেকুৰীটোৱে চোবাই পেলাই কাম শেষ কৰিলে।

"শঠ দুৰ্জ্জনত জানা পতিয়ন নাই,
পতিয়ালে বিপদক পদে-পদে পায় ।"

## বান্দৰ আৰু শিয়াল

(১)

বান্দৰ শিয়ালে সখি বন্ধাই আলিৰ কাষত আছে ।
বিয়াৰ গাখীৰ কলৰ ভাৰী দেখা পালে পাছে ।।
বান্দৰে বোলে, "শিয়াল সখি ! বুধি এটা কৰি ।
খাব লাগিল গাখীৰ-কল কৰি লৰালৰি ।।"
শিয়ালে কলে, "জোপাৰ মাজত লুকাওঁ সাজু হোৱা ।
ওচৰ পালেই বুলিম 'হোৱা' তুমি বুলিবা 'খোৱা' ।।
গাখীৰ গুড়ৰ ভাৰ পেলাই ভয়ত মাৰিব লৰ ।
হাবিত বহি সুখে খাম ৰং হব বৰ ।।"
যেনে আলচ, তেনে কাম, তেনে ফল হ'ল ।
গাখীৰ-গুড় কঢ়িয়াই দুয়ো হাবিৰ মাজলৈ গ'ল ।।
বান্দৰে পাঙিলে শিয়ালক সি দি এটা ফাঁকি ।
অকলৈ সোপাকে খাব একোকে নাৰাখি ।।
বান্দৰে বোলে, "শিয়াল সখি ! ভাবিছা নে নাই ?
উভতি আহি সিহঁতে যদি আমাক ইয়াত পায় !
মাৰিকিলাই কাঢ়ি নিব এই বস্তবোৰ ।
তাৰ আগতে গছত তোলোঁ এয়ে মত মোৰ ।।
মোৰ ভাগ গছত খাম, তোমাৰ পেলাই দিম ।
নিৰাপদে দুয়ো খাই তৃপিতি লভিম ।।"

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor

"বেছ্ কৈছা বান্দৰ সখি, তেনেকুৱা কৰেঁ। ।
দাঙি দিওঁ বস্তবোৰ হোৱা সখি ধৰা ।।"
এই বুলি শিয়ালে বস্ত বান্দৰক দিলে ।
সোপাকে বান্দৰে নি গছত তুলিলে ।।
তুলি অঁতাই ডালত বহি টিমক বান্দৰে ।
দুই হাতে মুখত সুমায় কপ্‌কপ্ কৰে ।।
কল খাই বাকলিটো, গুড় খাই টেকেলি ।
তললৈ পেলাই দিয়ে "ধৰা সখি" বুলি ।।
কুঁহিয়াৰ খাই চোবা আৰু গাখীৰ খাই কলহ ।
"খোৱা" বুলি শিয়ালক সি দিয়ে ওগাইৰহ ।।
শিয়ালে দেখিলে বান্দৰৰ সি ফাঁকিত পৰিল ।
খং-বেজাৰ মনত বান্ধি ঘৰলৈ লৰিল ।।

(২)

ভালেদিনৰ মূৰত এদিন বান্দৰে দেখিলে ।
বেজকচুড়ৰা এঠাইত ৰখিছে শিয়ালে ।।
হাঁহি হাঁহি ওচৰ চাপিল সখি-শিয়ালৰ ।
'কি ৰখিছা সখি' বুলি সুধিলে বান্দৰ ।।
"কুঁহিয়াৰ এইডৰা ৰখিছোঁ ৰজাৰ ।"
শিয়ালে উত্তৰ দিলে শুনা কথাষাৰ ।।
"সখি একামোৰ খাওঁ দিয়া অনুমতি ।"
বান্দৰে খুজিলে কৰি বৰকৈ কাকুতি ।।
"নোৱাৰেঁ। খাবলৈ দিব লাগিব জগৰ ।"
শিয়ালে বান্দৰক কলে "গুচি যোৱা ঘৰ ।।"
বান্দৰে নেৰিব দেখি অন্তত শিয়ালে ।
মনে মনে এডাল মাথোন খাবলৈ কলে ।।
হেপাঁহত কচু ভাঙি বান্দৰে চোবায় ।
খজুৱতিত খকুৱাৰ মুখ উখহি যায় ।।
"সখি মৰিলো, সখি মৰিলো" চিঞৰে বান্দৰ ।
"কেনে সেকা পাইছ" বুলি শিয়ালে দিলে লৰ ।।

(৩)

টেকেলীয়া কোদো এবাহ শিয়ালে ৰখিছে ।
কি কৰিছা সখি বুলি বান্দৰে সুধিছে ।।
"ৰজাই এইটো ঢোলৰ মোক পাতিছে ৰখীয়া ।"
শুনি বান্দৰ উত্ৰাৱল ৰঙত নাচে হিয়া ।।
"বজাবলৈ এচাপৰ দিয়া মোক সখি ।"
"নোৱাৰেঁ। ৰজাই মোক কাটি পেলাব দেখি ।।"
"দিয়া দিয়া দহোকুৰি এচাপৰ বাওঁ ।"
বুলি বান্দৰে শিয়ালক কৰে কাওবাও ।
দেখি শিয়ালে 'বোৱা' বুলি কোৱা মাত্ৰকত ।
মাৰিলে কোদোৰ বাহত সি পটাপট ।।
বেঢ়ি ধৰি কোদোৱে তাক কামুৰি কামুৰি ।
কৈলে ভীষাকাৰ গাল, মুখ, হাত, ভৰি ।।
"সখি মৈলোঁ, সখি মৈলোঁ" চিঞৰে বান্দৰ ।
"গাখীৰ খাই টেকেলি দিয়াৰ তুলি ললো হোৰ ।।"

বুলি শিয়াল গুচি গ'ল বান্দৰক এৰি।
বান্দৰে গগণ ফালে চিঞৰি চিঞৰি ॥

(৪)

এদিন আকৌ যেনে হল কওঁ শুনা কথা।
বখি আছে শিয়াল সখি পাটনাদ এটা ॥
মকৰা জালেৰে ছতা পাটনাদৰ মুখ।
দূৰৰ পৰা দেখি বান্দৰে পালে মহাসুখ ॥
কি কৰিছা সখি বুলি বান্দৰে সুধিলে।
"ৰজাৰ দোলা ৰখোঁ" বুলি শিয়ালটোৱে কলে ॥
"উঠিবলৈ দিয়াঁ মোকো মৰমৰ সখি।
সঁচাকৈয়ে মোৰ বৰ মন গৈছে দেখি ॥"
'শিয়ালে' 'নোৱাৰেঁ। মোক ৰজাই দণ্ডিব।'
বান্দৰে ডাঠাই ক'লে "কোনেনো দেখিব ?"
এই বুলি কুতুৰি বান্দৰে শিয়ালক।
নাদত জাঁপ মাৰি পৰি মৰিল খিতেকতে ॥

বিশ্বাসঘাতকৰ জানা এনে ফল হয়।
সদ্যে লাভ, পিছে কিন্তু নিশ্চয় প্ৰলয় ॥

## খুৰী ছাগলী

এটা মানুহে এদেশৰ পৰা আন এখন দেশত বেচিবলৈ এজাক ছাগলী লৈ গৈছিল। বাটত যাওঁতে জাকৰে ছাগলী এজনী এঠাইত উজুটি খাই পৰি খোৰা হৈ পৰিলত মানুহটোৱে তাইক তাতে এৰি থৈ আনবোৰ ছাগলী লৈ গুচি গ'ল। সি য'ত খুৰী ছাগলীজনী এৰি থৈ গৈছিল সেইডোখৰ বাটৰ ওচৰত কোনো মানুহৰ ঘৰ-বাৰী নাছিল। বৰ অগাধ হাবি। গধূলি হ'লত ছাগলীজনীয়ে নিৰুপায় হৈ খোৰাই-খোৰাই লাহে-লাহে গৈ হাবিত সোমাই কোনোমতে এটা টিলাত উঠি ৰ'ল। ৰাতি শিয়াল এটাই সেই পিনে যাওঁতে দেখিলে যে তাত দীঘল ডাড়িৰে কিবা জন্তু এটা আছে। শিয়ালটোৱে ওচৰ চাপি আহি ছাগলীক মাত লগালে,—

"লম লম ডাড়ি ঘনে কৰে বিলাস
এই হেন পুৰুষে খাটে বনবাস।"

ছাগলীয়ে গল্‌গলীয়া মাতেৰে উত্তৰ দিলে,—

"বাঘ খাওঁ, ঘোং খাওঁ আৰু খাওঁ হাতী
আপোনাৰ আনন্দত ফুৰোঁ দিনে-ৰাতি ৮"

শিয়ালে এই উত্তৰ শুনি ভাবিলে, "কি ভয়ানক! এইটো তো কম জন্তু নহয়! ই হেনো বাঘো খায়, ঘোঙো খায়, আমাৰ নিচিনা ক্ষুদ্ৰ প্ৰাণীৰতো কথাই

নাই।” ইয়াকে ভাবি শিয়াল তাৰ পৰা লৰি পলাই ভালুকৰ কাষ পালেগৈ। সি ফোঁপাইজোপাই ভালুকক ক'লে, “ককা। বৰ অথন্তৰ মিলিল ; ইয়াত এটা কিবা ভয়ঙ্কৰ জন্তু ওলাইছেহি। সি হেনো আমাৰ নিচিনা সৰু সৰু জন্তু তো খায়েই আপোনালোকৰ নিচিনা ভইব-ভইব প্ৰাণীকো খায়। আৰু পেটতে হাত-ভৰি লুকুৱা কথা—বোলে বাঘ আৰু হাতীকো খায়।”

ভালুকে শিয়ালৰ কথা শুনি “ব'লচোন বাৰু চাওঁগৈ, সেইটো নো কি জন্তু ওলাইছেহি।” এই বুলি খুৰী ছাগলীৰ ওচৰ ওলালহি। শিয়ালে দূৰৰ পৰাই ছাগলীজনীক আঙুলিয়াই দেখুৱাই দিয়েই পলাল। ভালুককো ছাগলীজনীয়ে সেইদৰে উত্তৰ দিলত, ভালুকে ভয় খাই তাৰ পৰা গুচি গৈ সেই কথা বাঘক কলে। বাঘে শুনি অপমান পাই গুজৰি গুমৰি ছাগলীজনীৰ ওচৰ পালত, ছাগলীজনীয়ে বৰকৈ ডাঢ়ি জোকাৰি ওপৰত কৈ অহা দৰে গল্‌গলীয়া মাতেৰে উত্তৰ দিলত, বাঘেও ভয় খাই গুচি গ'ল। এনেতে সেইপিনেদি এটা দঁতাল হাতী নিজৰ জাকেৰেসৈতে যাওক। দঁতালে সুধিলে, “হে দেও, আপোনাক তুতি কৰি মাতিছোঁ, আপুনি কোন কওক।” ছাগলীয়ে উত্তৰ দিলে—“মই সিংহৰ মাহীয়েক।” এই কথা শুনি দঁতালে আঁঠু কাঢ়ি শুৰ তুলি বহিলত, ছাগলীজনীয়ে তিনি ঠেঙেৰে জঁাপ মাৰি তাৰ পিঠিত উঠিল। উঠি তাই কলে, “শুন গজেন্দ্ৰ। তই মোক সিংহৰ ওচৰলৈ লৈ ব'ল।” ছাগলীজনীক পিঠিত লৈ সি সিংহৰ ওচৰ পালেগৈ। হাতীটো বহিলত তাৰ পিঠিৰ পৰা ছাগলীজনী নামি তাক আঁতৰি থিয় হবলৈ কলে। হাতী আঁতৰি গলত, ছাগলীয়ে লাহে লাহে সিংহৰ ওচৰ চাপি সিংহক সেৱা জনালে। সিংহই তাইক “তই কোন” বুলি সুধিলত, আগৰ পৰা গুৰিলৈকে তাইৰ সকলোবোৰ বৃত্তান্ত সিংহৰ আগত বৰ্ণাই, শেহত ক'লে, “মহাৰাজ। মই আপোনাৰ মাহীয়েক বুলি আপোনাৰ নামৰ বলত কোনোমতে ৰক্ষা পাইছোঁ। এতিয়াও আপুনি মোক অভয় দি ৰাখিলেহে ৰখা, নহলে মোৰ নিচিনা ক্ষুদ্ৰ প্ৰাণী এই হাবিত ফুঁতে উৰি যাব।” এই কথা শুনি সিংহই সন্তোষ পাই খুৰী ছাগলীক অভয় দি ক'লে, “তই কোনো ভয় নকৰিবি। তই মোৰ মাহী বুলি এই হাবিত নিজৰ ইচ্ছামতে খাই-বৈ ফুৰ। তোক কোনেও একো কৰিব নোৱাৰে।” তেতিয়াৰ পৰা সেই খুৰী ছাগলীয়ে সেই বনতে বুঢ়ী হৈ মৰবালৈকে নিজৰ ইচ্ছামতে খাই-বৈ ফুৰিছিল।

“মহৎ লোকৰ নামৰ যহত,
সৰু লোকে থাকে সুখত।”

## সাপ আৰু খেতিয়কৰ জীয়েক

এটা খেতিয়কৰ দুজনী ঘৈণীয়েক আছিল। সৰুজনী লাগী আৰু বৰজনী এলাগী। দুইজনী ঘৈণীয়েকৰ দুজনী জীয়েক। গিৰিয়েকে এলাগীক দেখিব নোৱাৰে, জীয়েককো দেখিব নোৱাৰে। তাৰ উপৰি লাগীয়েও দিনে-ৰাতিয়ে সিহঁতক বৰকৈ দুখ দিয়ে আৰু গোবৰ পেলোৱা, ধান বনা, ছুৱা-ধোৱা আদি দুখৰ বনবোৰ এলাগী আৰু তাইৰ জীয়েকক কৰিবলৈ দিয়ে।

এদিন বাপেকে এলাগীৰ জীয়েকক পথাৰত পকা ধান ৰখিবলৈ পঠিয়াই দিলে। বটা চৰাইবোৰ ধান খোৱা দেখি এলাগীৰ জীয়েকে এই বুলি সিহঁতক হুৰাই দিছিল :—

"হুৰ্ হুৰ্ বটা চৰাই !
মোৰ ধান নেখাবি,
তোক দিম গোটে কৰাই।"

এইদৰে মাতি মাতি চৰাই খেদাওঁতে হাবিৰ মাজৰ লেটেকু গছ এজোপাৰ পৰা উত্তৰ আহিল।—

"হুৰ্ হুৰ্ বটা চৰাই !
আঘোণত সাপে তোক বিয়া কৰায়।"

এই উত্তৰ শুনি ছোৱালীজনীয়ে ভয় খাই তাৰ পৰা লৰি গুচি আহি ঘৰ পালেহি। বাপেকে তাইক কিয় গুচি আহিলি বুলি সুধিলত, তাই সেই কথা ক'লত, বাপেকে—"বলচোন যাওঁ। কোনেনো কি কৈছে শুনোগৈ"– বুলি ছোৱালীজনী লৈ ধানৰ পথাৰলৈ আহি তাইক সেইদৰে মাতি বটা চৰাই খেদাবলৈ কলে। জীয়েকে আগৰ দৰে মাতিলতে আকৌ আগৰ দৰেই উত্তৰ আহিল। বাপেকে আচৰিত মানি, হাবিৰ মাজৰ লেটেকু গছজোপাত "কিনো আছে চাওঁ গৈ" বুলি তাৰ ওচৰলৈ গৈ দেখিলে যে তাত এটা অজগৰ সাপ আছে। সাপটোৱে খেতি-য়কক তাৰ জীয়েকক বিয়া কৰিম বুলি ক'লত, সি "বাৰু কাইলৈ ভাবি-চিন্তি কম" এই বুলি কৈ গুচি আহিল। ঘৰ পাই সি লাগীক সেই কথা কলত, লাগীয়ে তাক উৎসাহ দি সাপেৰে সৈতে এলাগীৰ জীয়েকক বিয়া দিবলৈ ক'লে ; কাৰণ, তাই ভাবি-ছিল; তেনেহলে সাপে তাইক খাই পেলাব। এলা-গীৰ মাকে এই কথা শুনি কান্দিবলৈ ধৰিলে। কিন্তু তাইৰ কথা শুনে কোনে ?

পিচ দিনা বাপেক আহি সাপক ক'লে যে,—"মই মোৰ জীক তোমালৈ বিয়া দিম। কাইলৈ গধূলি তুমি জোৰণ পিন্ধাবাগৈ !" তাৰ পিচ দিনা

সাপে এলাগীৰ জীয়েকক জোৰণ পিন্ধাবলৈ গল। ৰাতি এলাগীৰ জীয়েকক সাপেৰে সৈতে একেটা খোঁটালীত থাকিবলৈ দিয়া হ'ল আৰু মাক বাহিৰতে পৰি থাকিল। ৰাতি এলাগীৰ জীয়েকে ভিতৰৰ পৰা মাকক এইদৰে কবলৈ ধৰিলে—"আই! মোৰ ভৰি কুটেকুটায়।" মাকে বাহিৰৰ পৰা উত্তৰ দিলে—"আই! তোক জোঁৱায়ে নেপূৰ পিন্ধায়।" তাৰ পিছত জীয়েকে ক'লে "আই! মোৰ হাতে কুটেকুটায়।" মাকে বাহিৰৰ পৰা ক'লে "আই! তোক জোঁৱায়ে খাৰু পিন্ধায়।" এইদৰে শৰীৰৰ সকলো ভাগৰ কথা কৈ কৈ মাকৰ পৰাও তেনে উত্তৰ পাই পাই শেহত নমতা হ'ল। পিচ দিনা ৰাতিপুৱা মাকে দুৱাৰ মেলি চাই দেখিলে যে জীয়েকৰ গা সোণৰ অলঙ্কাৰেৰে জকমকাব লাগিছে। দেখি, মাকৰ মহা আনন্দ হ'ল। মাহীয়েকে আৰু বাপেকে ভাবিছিল যে তাইক সাপে ৰাতি খাই পেলাব। কিন্তু এতিয়া তেনেকুৱা দেখি বৰ আচৰিত মানিলে আৰু মাহীয়েকে পেটে পেটে বৰ বেজাৰ পালে

ইয়াৰ পিছত লাগীয়ে গিৰিয়েকক ববকৈ লাগিল, যে তাইৰ জীয়েককো এটা সাপ আনি সাপেৰে সৈতে বিয়া দিব লাগে। গিৰিয়েকে লাগীৰ খটবান্ধ এৰাব নোৱাৰি ভালেমান মানুহ লগত লৈ গৈ হাবিত অনেক বিচাৰি বিচাৰি এটা অজগৰ সাপ পাই ধৰি লৈ আহি ৰাতি লাগীৰ জীয়েকৰ লগত এটা খোঁটালীত থাকিবলৈ দিলত, সাপটোৱে লাহে লাহে লাগীৰ জীয়েকক গিলিবলৈ ধৰিলে। লাগীৰ জীয়েকে "আই মোৰ ভৰি কুটেকুটায়" "আই মোৰ ককাল কুটেকুটায়" ইত্যাদি ৰকমে মাকক কৈ আছিল কিন্তু মাকে, জোঁৱায়েকে জীয়েকক অলঙ্কাৰ পিন্ধাইছে বুলি ভাবি সেইদৰে উত্তৰ দি আছিল। শেহত জীয়েকৰ মাত নাইকিয়া হ'লত, জীয়েক শুলে বুলি ভাবি মাক নিচিন্ত হ'ল। ৰাতিপুৱা তাই দুৱাৰ মেলি চাই দেখিলে যে জীয়েক নাই। সাপটোৱে জীয়েকক গিলি গেবেলা হৈ তাতে পৰি আছে। এনে হোৱা দেখি তাই হুৰাওবাৰে কান্দিবলৈ ধৰিলে।

যি কৰে পৰত।
তাৰ মিলে ঘৰত॥

## হাতী আৰু সাপ

এজন ৰজাৰ এটা বৰ মৰমৰ দঁতাল হাতী আছিল। হাতীটোক ৰজাই ইমান ভাল পায় যে

সি দুখ পাব বুলি ৰজাই তাক কেতিয়াও বন্ধাই নথয়। সেইদেখি সি মুকলি হৈ চৰি ফুৰে ; কিন্তু কাৰো একো অপকাৰ নকৰে। তাৰ দোষৰ ভিতৰত ৰজাৰ মৰম পাই সি বৰ গপাল হৈ পৰিছিল। এদিন সি বাটে বাটে গৈ থাকোঁতে দেখিলে যে মাজ বাটতে এটা গোম সাপ গা ৰদাই পৰি আছে। সাপটোৱে ভাবিলে, সি ডাইলগোম, তাৰ ভয় নকৰা প্ৰাণী নাই। এতেকে, সি নো মাজবাটৰ পৰা উঠি গৈ একাষৰীয়া হৈ হাতীটোক বাট এৰি দিব কিয় ? হাতীটোৱেইচোন কাষৰ কাটি যাওক। ইয়াকে ভাবি সি ফেট তুলি ফোঁচ-ফোঁচাবলৈ ধৰিলে কিন্তু এচুলিমানো তাৰ পৰা নলৰিল। হাতীটোৱে ভাবিলে ভালা ৰে ভালা "মই হলোঁ ৰজাৰ মৰমৰ গজহস্তী ; এইটো কৰবাৰ টোকোনা সাপ। বনে-ঘাঁহে চুঁচৰি চোৰৰ দৰে লুকাই ফুৰোঁতে তাৰ জনম গৈছে। সিনো মই হেন পুৰুষক বাট এৰি নিদিব কিয় ? নিদিয়ে যদি একে গচকাতে তাৰ পেটু উলিয়াম নহয় !" ইয়াকে ভাবি হাতীটোৱে কেৰেপকে নকৰি আগবাঢ়ি আহি সাপৰ গাত গচক মাৰি দিলে। সাপেও তাক ভালকৈ তিনি-চাৰি খোঁট লগালে। হাতীটোৰ গাত বিষ লাগি দোখোজমান গৈয়েই সি পৰি মৰিল। সাপেও হাতীৰ গচকত পেটু নাড়ী ছিগি মৰি থাকিল।

হাতীটো বাটতে মৰি থকা দেখি এটা শগুণে শটো খাবৰ মনেৰে খুঁটিয়াই খুঁটিয়াই পেটৰ ছালখন

ফুটাই বিন্ধা এটা কৰি হাতীটোৰ পেটত সোমাল। শগুণে পেটত সোমাই হাতীৰ মঙহ খাই থাকোঁতে, সি কৰা বিন্ধাটো ৰ'দত শুকাই মুদা মৰিলত, সি হাতীৰ পেটৰ ভিতৰতে মৰিল।

ঘোং নামেৰে ব্যাধ এটা সেই বাটেদি চিকাৰ কৰিবলৈ যায়। দঁতাল হাতীটো বাটতে মৰি পৰি থকা দেখি দাঁতযোৰ কাঢ়ি উলিয়াই লৈ গলে বেচি ভালেমান টকা পাব ভাবি, দাঁত এটা দাৰে কাটি কাটি টানি এটা বৰ আজোৰ মৰাত ভট্ কৰে দাঁতটো উঘাল খাই আহি তাৰ পেটত বেগেৰে খোঁচ লাগি আগটো সোমালত, সি তাতে পৰি মৰি থাকিল। এটা হালোৱা মানুহে ওচৰৰ পথাৰত হালবাই থাকোঁতে এই ঘটনাটো আগৰে পৰা গুৰিলৈকে দেখি আছিল। ব্যাধটো মৰাৰ পিছত সি লাহেকৈ হালখন এৰি মৰা হাতীটোৰ ওচৰলৈ আহি এই ফকৰাটো মাতিলে :—

"গপত মৰিল গজহস্তী,
ফোকাৰত মৰিল গোম।
শ খাওঁতে শগুণ মৰিল;
আঁজোৰত মৰিল ঘোঙ।"

ডাঙৰেই হোৱা, সৰুৱেই হোৱা, গৰ্ব্ব নকৰিবা।
গৰ্ব্ব কৰিলে খৰ্ব্ব হৈ খিপাঙে মৰিবা ॥

PDF compression, OCR, web optimization using a watermarked evaluation copy of CVISION PDFCompressor